

# জওহর জ্যোতি

১৯৯৪-৯৫



আলোচনী :

জওহরলাল নেহরু মহাবিদ্যালয়



# With Best Compliments From

TO, LIBRARY, J.N. COLLEGE.

Sushil Patowary
EDITOR

# জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী
# বকো

# "জৱাহৰ জ্যোতি"

বছৰেকীয়া প্ৰকাশ

সপ্তদশ সংখ্যা

১৯৯৪-১৯৯৫

তত্ত্বাৱধায়ক ঃ
অধ্যাপক দ্বিজেন দাস

সম্পাদক :
সুশীল পাটোৱাৰী

# ॥ অশ্ৰু অঞ্জলি ॥

বিশিষ্ট প্ৰাচ্যতত্ত্ববিদ ডঃ মহেশ্বৰ নেওগ আৰু লোক সংস্কৃতিৰ সাধক ডঃ প্ৰফুল্ল দত্ত গোস্বামী

আৰু

আন্তৰ্জাতিক খ্যাতি সম্পন্ন নাট্যকাৰ উৎপল দত্ত, গণশিল্পী সলিল চৌধুৰী, পুৰুষোত্তম দাস, সাহিত্যিক আশাপূৰ্ণা দেৱী, সমাজতত্ত্ববিদ এ. আৰ. দেশাই, বিজ্ঞানী সুব্ৰহ্মন্যম চন্দ্ৰ শেখৰ, অমল প্ৰভা দাস। পশ্চিম এচিয়াৰ শান্তিৰ দূত ইজহাক ৰবীন, স্বাধীনতা সংগ্ৰামী মধু লিমায়ে, প্ৰাক্তন প্ৰধান মন্ত্ৰী মোৰাৰজী ভাই দেশাই আৰু পঞ্জাবৰ মুখ্যমন্ত্ৰী চৰ্দাৰ বিয়ন্ত সিং আৰু আমাৰ মহাবিদ্যালয়ৰ দীপক দেৱনাথ, হিড়িম্বা হাজোৱাৰী, হীৰালাল, পদুমী পাঠকৰ

লগতে

বিগত সময় ছোৱাত চৰকাৰী বেচৰকাৰী সন্ত্ৰাসৰ বলি প্ৰতিজন নিৰ্দোষী নাগৰিক আৰু মানৱ সভ্যতাৰ বিভিন্ন দিশত অৱদান আগবঢ়াই যোৱা জ্ঞাত-অজ্ঞাত প্ৰতিজন ব্যক্তিলৈ আমাৰ অশ্ৰু অঞ্জলি যাচিছোঁ।

॥ সম্পাদনা সমিতি ॥

সম্পাদনা সমিতি : অধ্যক্ষ বসন্ত কুমাৰ দত্ত, সভাপতি
অধ্যাপক, মদন চন্দ্ৰ কাকতি, উপ-সভাপতি
অধ্যাপক, দ্বিজেন দাস, তত্বাৱধায়ক
অধ্যাপক, নবীন চন্দ্ৰ মুদিয়াৰ, সদস্য

শ্ৰীসুশীল পাটোৱাৰী, সম্পাদক
শ্ৰীজয়ন্ত কলিতা, সহ-সম্পাদক
শ্ৰীৰঞ্জিত বড়ো, সাধাৰণ সম্পাদক

বেটুপাত : অধ্যাপক মিৰাজ খান

অঙ্গসজা :
সম্পাদক, আৰু তত্বাৱধায়ক

আলোক চিত্ৰ :
ৰূপা ষ্টুডিঅ', বকো

ছপা : কামৰূপ মুদ্ৰণ ◉ হাতীগাওঁ, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

# বিষয়-সূচী

## সম্পাদকীয়

হিৰোচিমা-নাগাচাকিৰ স্মৃতিত / অধ্যাপক মিৰাজ খান/২১
শ্ৰদ্ধাঞ্জলি / অধ্যাপক শ্ৰীলক্ষীকান্ত শৰ্মা / ২৬
আশাপূৰ্ণা দেৱী / জয়ন্ত কলিতা / ৩৪
সুব্ৰহ্মনিয়ন চন্দ্ৰশেখৰ / দিগ্‌বিজয় ৰয় / ৩৫

## কবিতা- ১-৬

সাঁথৰ / শ্ৰীবসন্ত কুমাৰ দত্ত, অধ্যক্ষ
গণতন্ত্ৰৰ সন্ধানত / শ্ৰীদীপাংকৰ কলিতা
পোহৰ / শ্ৰীবিভূতি কলিতা
হিয়াৰ কল্লোল / বিপুল বৈশ্য
গণতন্ত্ৰ / শ্ৰীবশিষ্ঠ দেৱ শৰ্মা
তোমাক পাবলৈ / ছাহজাহান আহমেদ
তুমি যদি মোক সোধা / এম. আবদুল আউৱাল
কেতেকী / প্ৰহ্লাদ ভৰালী

## গল্প-১-২১

এখন ছবি আৰু ভ্যানগগ / মিচ গীতা ডেকা / ১
জখলা / মঃ আয়েজ আলী / ৫
স্মৃতিৰ উপলব্ধি / মহম্মদ আজিজুৰ ৰহমান / ১২
পৰিক্ৰমা / স্বপনজ্যোতি কলিতা / ১৮

## প্ৰবন্ধ-১-৫৬

ব্ৰিটিছৰ আমোলত অসমীয়া বুদ্ধিজীৱীৰ ভূমিকা /
নীলিম দত্ত / ১

পৰিৱেশ আৰু আমি / সুশীল পাটোৱাৰী / ১৭

ভাৰতবৰ্ষত ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ অৱস্থা আৰু সামাজিক দায়বদ্ধতা / প্ৰবক্তা, নবীন চন্দ্ৰ মুদিয়াৰ / ২৩

সৌৰশক্তি ঃ অপৰম্পৰাগত শক্তিৰ উৎস আৰু ইয়াৰ ব্যৱহাৰ / অধ্যাপক, প্ৰণৱ শৰ্মা / ৩৯

শতবৰ্ষৰ আলোকত চলচ্চিত্ৰ অধ্যাপক, দ্বিজেন্দ্ৰ নাথ দাস / ৩৬

মহৰম / চিৰাজ উদ্দিন আহমেদ / ৪৩

সাহিত্য সংবাদ / সম্পাদনা সমিতি / ৪৬

আপুনি জানেনে ? / ৫০

চন্দ্ৰলোক বিজয় আৰু বৈজ্ঞানিকৰ দৃষ্টিভংগী / ৫৩

প্ৰখ্যাত বিজ্ঞানীৰ আঁৰৰ কথা / ৫৫

## প্ৰতিবেদন-১-১৬

## ENGLISH SECTION

Economic Development and Environment / Sri Sanjoy Kumar Saikia / 1

Society and Social Disorganization / Miss Nilanjana Sarma / 5

Method of Least Square to fit a Linear Trend / Prahlad Bharali / 8

Present Teaching Staff and Office staff of the College / 12

## বাৰ্ষিক খেল-ধে[illegible] ঃ

সম্পাদকৰ কাগত :

Life is short but truth works far and lives long : let us speak the truth. Schopen Hauer.

# অসমীয়া ভাষা সম্পৰ্কে :

এটা জাতিৰ ভাষাৰ সংকট অহা বুলি ক'লে, বুজিব লাগিব যে গোটেই জাতিটোৱে চৰম সংকটৰ সন্মুখীন হৈছে। আজি অসমৰ ক্ষেত্ৰতো সেই একেটা কথাই প্ৰযোজ্য হৈছে। অসমত আজি ভাষাৰ সংকটে দেখা দিছে। লগে লগে দেখা দিছে অদূৰ ভৱিষ্যতৰ বাবে জাতিটোৰ এখন ভয় লগা ছবি। অসমৰ নিজা ভাষা আছে, লগতে আছে নিজা বৰ্ণমালা অৰ্থাৎ স্বনিৰ্ভৰশীল ভাবে সাহিত্য চৰ্চা কৰিবলৈ অসমৰ প্ৰায়খিনিয়েই আছে। অৱশ্যে ভাষা সমৃদ্ধ কৰিবৰ বাবে অন্য ভাষাৰ দুটা এটা শব্দ ধাৰ কৰাটো দোষণীয় নহয়। অন্য ভাষাৰ এনে কিছুমান শব্দ আছে যিবোৰ নিৰক্ষৰ অসমীয়া এজনেও অসমীয়া শব্দ হিচাপে ব্যৱহাৰ কৰে। স্বনামধন্য লেখক নৱকান্ত বৰুৱাদেৱে এখন সভাত কৈছিল, "কলেজলৈ অহা ল'ৰা এজনক যদি সোধা যায় "কলৈ যোৱা" কব "কলেজলৈ যাওঁ।" মহাবিদ্যালয়লৈ যাওঁ বুলি নকয়। এয়া অসমবাসীৰ বাবে পৰিতাপৰ কথা নহয়, বৰঞ্চ বহুলভাৱে প্ৰচাৰিত কলেজ শব্দটোৱে ব্যৱহাৰ কৰা উচিত। কিন্তু আজি দেখা গৈছে যে আমাৰ এচাম লেখকে বা তথাকথিত শিক্ষিত ব্যক্তি চামে লিখাৰ মাজত কিম্বা কথাবতৰাৰ মাজত বহুলভাৱে ইংৰাজী শব্দ ব্যৱহাৰ কৰে। যিবোৰ শব্দ বহুতৰ বাবে দুৰ্বোধ্য। আনহাতে সেই প্ৰায়বোৰ শব্দৰে সঠিক প্ৰতিশব্দও অসমীয়াত পোৱা যায়। লেখক চন্দ্ৰ প্ৰসাদ শইকীয়াদেৱে এবাৰ তেখেতৰ সম্পাদিত "গৰীয়সী"ত এজন খ্যাতনামা লেখকৰ প্ৰবন্ধ প্ৰকাশ কৰিব নোৱাৰি কৈফিয়ৎ হিচাপে কৈছিল প্ৰবন্ধটোত প্ৰায় ১৫ শতাংশ শব্দই ইংৰাজী। যদিহে প্ৰবন্ধটোত ১৫ শতাংশ শব্দ ইংৰাজী হয়, তাৰ পৰা সাধাৰণ অসমীয়া এজনে কি বুজিব পাৰিব? নাইবা প্ৰবন্ধটো অসমীয়াত লিখাৰ যুক্তি থাকিল কি? অৱশ্যে এই চাম লেখক-লেখিকাই পাঠক সমাজক এনে এটি ভাব হয়তো সোমাই দিয়াৰ চেষ্টা কৰে যে তেখেতসকলৰ ইংৰাজী সাহিত্যৰ ওপৰত গভীৰ দখল আছে। যদিহে তেওঁলোকৰ মত সেইটোৱে তেনেহ'লে তেনেকৈ ভৱাটোত যুক্তিযুক্ততা নাথাকিব। কাৰণ পণ্ডিত ডঃ বাণীকান্ত কাকতিদেৱৰ দৰে ব্যক্তি

সকলেও প্ৰবন্ধ পুথি ৰচনাত খুব কম সংখ্যক ইংৰাজী শব্দহে ব্যৱহাৰ কৰিছিল। হয়তো যিবোৰৰ যথাৰ্থ অসমীয়া প্ৰতিশব্দ অভিধানত নাপালে। অসমীয়া লেখক চামৰ অসমীয়াত লিখা মেলাৰ ক্ষেত্ৰত অসুবিধা নোহোৱা নহয়। বিশেষকৈ বঙালী ভাষাত থকাৰ দৰে অসমীয়া ভাষাত উপৰ্য্যপৰি অভিধান নথকাৰ বাবে এই অসুবিধাই দেখা দিয়ে। যি দুই এখন অভিধান আছে সেইবোৰতও নানান ধৰণৰ অৰ্থ বিভ্ৰাট দেখা যায়। এই বিভ্ৰাটে বহুসময়ত লেখকক বিমোৰত পেলায়, বিশেষকৈ নবীন লেখক-লেখিকা চামক। বৰ্তমান পৰিস্থিতিত প্ৰায়েই দেখা যায় উঠি অহা ডেকা-ডেকেৰি চাম আধুনিক কবিতাৰ ফালে বিশেষ ভাবে ঢাল খাইছে। এয়া জাতিটোৰ বাবে শুভ লক্ষণ। কিন্তু ইমানবোৰ কবিৰ মাজৰ পৰা অসমীয়া সাহিত্য সমাজে কেইজন প্ৰকৃত কবি লাভ কৰে? আধুনিক কবিতা লিখিবৰ বাবে প্ৰয়োজন পৰিবদ্ধ শব্দৰ জ্ঞান; কিন্তু যিটো ভাষাৰ নিখুট অভিধান এখন নাই; তেনে জাতিয়ে কি ধৰণে বিশদ জ্ঞান লৈ শব্দ খেল খেলিব? অন্যহাতে এখন পূৰ্ণ অভিধান নথকাৰ বাবে বহুতো গাৱলীয়া শব্দ বিলুপ্ত প্ৰায়। "বৈশাষ বিয়ান" শব্দৰ অৰ্থ আজি কেইজনে জানে? যিটো শব্দৰ অৰ্থ অভিধানত বিচাৰি উলিয়াবলৈ টান। এইদৰে যদি স্থানীয় শব্দৰ বিলুপ্তি ঘটে তেন্তে তাৰ ঠাইত বিদেশী শব্দৰ দ্বাৰা পূৰ কৰাত আচৰিত হবলৈ একো নাথাকিব। এই প্ৰসংগতে প্ৰখ্যাত অসমীয়া গদ্য লেখক হোমেন বৰগোহাঞিয়ে আক্ষেপ কৰি কৈছিল যে, উঠি অহা যুৱক-যুৱতীচামক এখন নিৰ্দিষ্ট ভাল অসমীয়া অভিধান দেখুৱাই দিবলৈ তেখেতে কুণ্ঠাবোধ কৰে। বিজ্ঞান শব্দৰ অসমীয়া পৰিভাষা ব্যৱহাৰ এক জটিল কাম। কিন্তু আজি অসমীয়া বিজ্ঞান পাঠ্যপুথিত অসমীয়া পৰিভাষা ব্যৱহাৰ কৰা হয়। কিন্তু পৰিতাপৰ বিষয় এয়ে যে প্ৰায়ভাগ লিখকে নিজে উপযুক্ত বুলি ভবা অসমীয়া প্ৰতিশব্দহে ব্যৱহাৰ কৰে, যাৰ বাবে একেটা বিজ্ঞানৰ শব্দৰ বিভিন্ন লেখকৰ পুথিত বিভিন্ন ৰূপত পোৱা যায়। বহুসময়ত অসমীয়া মাধ ক্ষাৰ্থী চামক উক্ত কাৰ্য্যই বাৰুকৈয়ে বিমোৰত পেলায়। সেয়ে আমি বিচা জ্ঞানৰ শব্দবোৰৰ অসমীয়া ৰূপান্তৰ যাতে নিৰ্ধাৰিত হয়। এই ক্ষেত্ৰত অসম বিজ্ঞান সমিতিৰ "বিজ্ঞান অভিধান" উল্লেখনীয় পদক্ষেপ।

অসমৰ বৃহৎ অনুষ্ঠান অসম সাহিত্য সভা এই ক্ষেত্ৰত একেবাৰে উদাসীন যেন লাগে। ৰাইজৰ বহু হেঁচা সত্বেও আজি পৰ্য্যন্ত সভাই অসমীয়া ৰাইজক এখন পূৰ্ণাংগ অভিধান হাতত তুলি দিব নোৱাৰিলে। আমি ভাবো লাখ লাখ টকা অবাবত খৰচ কৰি বছৰেকীয়া অধিবেশন পতাতকৈ এখন পূৰ্ণাংগ অসমীয়া

অভিধান যুগুত কৰাটোহে সভাৰ মুখ্য উদ্দেশ্য হোৱা উচিত। আমি আশা ৰাখিছো সভাই এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লব।

অনা অসমীয়া বিদ্যালয় প্ৰতিষ্ঠানেও যে অসমীয়া ভাষাৰ সংকট মাতি আনিছে তাত নিশ্চয় কাৰো দ্বিমত নাই। বিশেষ প্ৰভাৱ পেলাইছে, ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰে। ইংৰাজীকে ঘাই বিষয় হিচাপে লৈ অন্য আঞ্চলিক ভাষাবোৰ এই অনুষ্ঠনবোৰে এৰাই চলিব বিচাৰে। অসমীয়া ভাষা পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত কৰিছে যদিও সেয়া আন্তৰিকতাৰে নহয় বাধ্যত পৰিহে। এনে অনুস্থানত পঢ়া ছাত্ৰ-ছাত্ৰীবোৰ যেতিয়া অসমীয়া ভাষাজ্ঞানত অজ্ঞ হৈ পৰে, তেওঁলোকৰ অভিভাৱকসকলৰ বাবে সেয়াও এটা গৌৰৱৰ কাৰণ হৈ পৰে। অসমীয়া জাতিৰ অধঃপতনৰ ই এটা সুস্পষ্ট লক্ষণ। অৱশ্যে অসমীয়া মাধ্যমৰ বিদ্যালয়-বোৰৰ নিম্নমানদণ্ডৰ ফলাফল, শৈক্ষিক ব্যৱস্থাৰ দুখলগা পৰিস্থিতিৰ হেতু ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ আকৰ্ষিত হোৱা দেখা যায়। সেয়ে অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰে এক নৱ জাগৰণ সৃষ্টি কৰাৰ দৰকাৰ।

অসমৰ শিলচৰত এখন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ল। সুখৰ বিষয়। কিন্তু পৰি- তাপৰ বিষয় এয়ে যে অসমৰ এই বিশ্ববিদ্যালয়খনত এই পৰ্যন্ত অসমীয়া ভাষাক স্বীকৃতি দিয়া হোৱা নাই। একেদৰে স্বীকৃতি দিয়া হোৱা নাছিল গুৱাহাটী বিশ্ববিদ্যালয়তও। বহুকেইজন মনীষীৰ অসীম প্ৰচেষ্টাৰ ফলত যেনিবা গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া ভাষাই স্বীকৃতি পালে, কিন্তু শিলচৰ বিশ্ববিশ্বদ্যালয়ত কেতিয়ালৈকে সেই দিনটোলৈ আমি বাট চাব লাগিব ? অসমৰ মাটিতে যদি অসমীয়া এলাগী হয়, তাতোকৈ দুখৰ বিষয় কি হব পাৰে ?

# নতুন অৰ্থনীতি সম্পৰ্কে ঃ

মানুহে প্ৰকৃতিক জয় ক' প্ৰগতিৰ জখলাত বগাবলৈ সমৰ্থ হৈছিল বিজ্ঞান আৰু প্ৰযুক্তি কৌশলত। শ্যে অতীতকৈ বৰ্ত্তমান অৱস্থাত দেশ তথা ব্যক্তিৰ নিৰাপত্তা, জীৱন যাত্ৰাৰ মান উন্নয়ণ বিশেষকৈ আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োগ বৃদ্ধি পাইছে। প্ৰাক স্বাধীনতাৰ যুগত অনেক জাতীয় নেতাই ভাৰতবৰ্ষৰ আৰ্থিক উন্নয়ণৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়ো- গৰ কথা অনুধাৱন কৰিছিল। এওঁলোকৰ ভিতৰত বিশেষ উল্লেখযোগ্য হ'ল

নেতাজী সুভাষ চন্দ্ৰ বসু আৰু জৱাহৰলাল নেহৰু। স্বাধীনতা লাভৰ পাচত ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী নেহৰুৱে জাতীয় আৰু সামাজিক পৰিকল্পনাত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োগত গুৰুত্ব প্ৰদান কৰিছিল।

ভূমি সংস্কাৰৰ লগত সংগতি ৰাখি ৰাজহুৱা খণ্ডৰ বিকাশৰ মূল লক্ষ্য আছিল সামাজিক সমতা প্ৰতিষ্ঠা কৰা। এইটো ভবা হৈছিল যে ভাৰতীয় সমাজত অৰ্থনৈতিক বৈষম্য আঁতৰাই, সামাজিক ন্যায় আৰু লগতে শিল্প উদ্যোগ গঢ়ি উঠাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই আৰ্থিক বিকাশৰ ধাৰাৰ ফলত ভাৰতবৰ্ষত আৰ্থিক স্বনিৰ্ভৰশীলতা, সম্পূৰ্ণ নিয়োগ (Full employment), সামাজিক ন্যায় (Social justice) আৰু জনসাধাৰণৰ মৰ্য্যদা বৃদ্ধি কৰিব। স্বাধীনতা প্ৰাপ্তিৰ পিছত এইটো বিশ্বাস কৰা হৈছিল যে জাতীয় পুঁজি (National resources) ৰ উপযুক্ত বিনিয়োগ কৰি উপনিবেশীয় আৰু শোষণৰ নাগ পাশত আবদ্ধ বিশাল ভাৰতীয় কৃষক শ্ৰমিকক মুক্ত কৰিবলৈ সমৰ্থ হ'ব। কিন্তু শাসক শ্ৰেণীয়ে পুঁজিবাদী শ্ৰেণীটোৰ লগত মিতিৰালি কৰি সকলো কল্পনা ধূলিস্যাৎ কৰি দিয়ে ফলত আজি ভাৰতবৰ্ষৰ অৰ্থনৈতিক চিত্ৰ গভীৰ অন্ধকাৰত নিমজ্জিত। সম্পূৰ্ণ নিয়োগ আৰু স্বনিৰ্ভৰতা মাত্ৰ বিলাসী কল্পনা। বৰ্ত্তমান ভাৰতবৰ্ষৰ অৰ্থনীতি বহিঃ হেঁচাত আত্মসমৰ্পন কৰিবলৈ বাধ্য হৈছে।

বিশ্ববেংক বা আই, এম, এফৰ নিৰ্দেশত বৰ্তমান আমাৰ ভাৰতবৰ্ষই এটি বজাৰমুখী নতুন অৰ্থনীতি ব্যৱস্থা গ্ৰহণ কৰিছে। এই নতুন অৰ্থনীতিৰ লগত সংগতি ৰাখি ১৯৯১ চনৰ জুলাইত এক নতুন শিল্পনীতি ঘোষণা কৰা হয়। এইটো মানি লব লাগিব যে যোৱা চল্লিশ বছৰ ধৰি বিজ্ঞান গবেষণা, প্ৰযুক্তি উদ্ভাৱন আৰু উন্নয়নৰ নামত যিখিনি অগ্ৰগতি সাধিত হৈছে, তাৰ দ্বাৰা ভাৰতবৰ্ষই অৰ্থনৈতিক অচলাৱস্থাৰ পৰা মুক্তি দিয়াৰ ক্ষেত্ৰত আশানুৰূপ সুফল লাভ কৰিব পৰা নাই।

"স্বনিৰ্ভৰতা" আমাৰ দেশৰ এটা জনপ্ৰিয় শ্লোগান। কিন্তু আমাৰ চৰকাৰ বা ব্যক্তিগত মালিকানীন কোনো শিল্প সংস্থাই এই আত্মনিৰ্ভৰতাৰ কাৰণে বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োগ কৰা নাই। মহাকাশ বিজ্ঞান, বিমান পৰিবহন, প্ৰতিৰক্ষা আদিৰ ক্ষেত্ৰত কিছু সফলতা অৱশ্যে সাধিত হৈছে। সঠিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে দেশ আৰু জাতিৰ আৰ্থিক বা সৰ্বাংগিন বিকাশত উল্লেখযোগ্য বৰঙণি আগবঢ়াই কিন্তু ভাৰতবৰ্ষৰ ক্ষেত্ৰত সেই চিত্ৰ অনুপস্থিত বুলিব পাৰি। এটা লক্ষণীয় কথা হ'ল আমাৰ সংবিধান, সংসদ আৰু N, D. C. (National development